**জে পি চি ৰ প্ৰতিবেদন, প্ৰধানমন্ত্ৰী বিব্ৰত অৱস্থাত সহযোগ**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

**দিনাংক -১০ ডিচেম্বৰ ১৩**

টেলিকম আৰু স্পেকট্ৰামৰ মূল্য আৰু আবন্টন কৰা বিষয়ক লৈ সংসদে ইয়াৰ অনুসন্ধান কৰিব'লৈ জে পি চি গঠন কৰা হৈছিল । আজি ৰাজ্যসভাৰ মজিয়াত জে পি চি এ কৰা অনুসন্ধানৰ ওপৰত এখন প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে । কংগ্ৰেছ দ'ল আৰু ইউ পি এ চৰকাৰে এই প্ৰতিবেদনৰ প্ৰতি কৰা ব্যৱহাৰে এইয়াই প্ৰমাণিত কৰিছে যে কিছুদিন পূৰ্বে ঘোষনা কৰা বিধানসভা নিৰ্বাচনৰ ফলাফলৰ পৰা তেওঁলোকে কোনো ধৰণৰ জ্ঞান লাভ কৰা নাই । তেওঁলোকে প্ৰথমে দুৰ্নীতিৰ কাৰ্য্যত লিপ্ত হয় আৰু তাৰ পাছত ইয়ৰ পৰা বাচিব'লৈ সাংবিধানিক প্ৰতিষ্ঠানক ধংস কৰাৰ কৌশল অৱলম্বন কৰে ।

জে পি চি য়ে অনুসন্ধান কৰা মূল বিষয়সমূহ হৈছে -

১/ ২০০৮ চনত হোৱা আবন্টন ২০০১ চনত নিৰ্ধাৰিত মূল্যৰ ওপৰত দিয়াতো সম্ভৱ নে ?

২/ যি প্ৰক্ৰিয়াৰে স্পেকট্ৰাম আবন্টন হ'ব লাগিছিল ইয়াৰ ওপৰত প্ৰশ্ন উত্থাপিত হয় নেকি ?

৩/ তেতিয়া টেলিকম মন্ত্ৰীয়ে লোৱা সিদ্ধান্তৰ বিষয়ে প্ৰধানমন্ত্ৰী আৰু বিত্তীয়মন্ত্ৰী অৱগত আছিল নে ?

এই প্ৰতিবেদনৰ বেছিভাগতে উপৰোক্ত বিষয়সমূহ উত্থাপিত নহ'ল । ইয়াৰ বিপৰীতে প্ৰতিবেদনৰ বেছিঅংশতে এন ডি এ চৰকাৰক দোষাৰূপ কৰা হৈছে । অৰ্থাৎ এই প্ৰতিবেদনৰ কোনো বিশ্বাসযোগ্যতা নাই । বৰ্ফচ কেচত জে পি চি এ এক সূত্ৰৰ উদ্ভাৱন কৰিছিল জে দালালকয়ে কমিচন দিয়া হয়, সেইয়া ঘোচ নহয়, কাম শেষ কৰা মূল্যহে । চি বি আই ছাৰ্জশীট এ এই সূত্ৰক অস্বীকাৰ কৰিছিল । কেচ ফৰ ভ'ট কেলেংকাৰীৰ বাবে গঠন কৰা সংসদীয় কমিটি এ বিৰোধী দ'লৰ সংসদীয় সদস্যক দোষী সাব্যস্ত কৰিছিল । আদালতে এতিয়া ৰায় দিছে যে তেওঁলোকে কোনোধৰণৰ অপৰাধ কৰা নাই । যদি আমি সংসদীয় প্ৰতিষ্ঠানৰ মৰ্য্যদা ৰক্ষা কৰিব বিচাৰিছো, তেন্তে আমি সুনিশ্চিত কৰিব লাগে যে সত্য কথা লুকুৱাই নাৰাখি উজাগৰ কৰিব লাগে ।

বিৰোধী দ'লৰ সংসদীয় সদস্য টেলিকমে জে পি চি ৰ প্ৰতিবেদনক অসন্মতি প্ৰকাশ কৰি সভাপতিলৈ টোকা প্ৰেৰণ কৰিছে । ৰাজ্যসভাত অজি মই এক বিষয় উত্থাপন কৰিছো যে এখন কমিটিৰ সভাপতিয়ে কেৱল অসাংবিধানিক কথাহে সম্পাদন কৰিব পাৰে নে সম্পূৰ্ণ টোকাক সলনি কৰিব পাৰে । এইয়া কৰি সভাপতিয়ে বিশেষাধিকাৰ ভংগহে কৰে । মই এই বিষয়টোৰ বাবে শাসিত দ'লৰ পৰা কাৰোবাক আহ্বান জনাইছো । আচৰিত ধৰণে শাসিত দ'লৰ পৰা কোনো নাহিল ।

মোৰ একমাত্ৰ সহানুভূতি আছে যে চৰকাৰে উলংগভাৱে দেখা দিছে । অৰ্থাৎ কাপোৰ নিপিন্ধা সাম্ৰাজ্য । এই বিব্ৰত অৱস্থাক জে পি চি ৰ জড়িয়তেও সংসদে ঢাকি ৰাখিব নোৱাৰে ।